# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## সোমবাৰ, ২৪ মাৰ্চ, ২০২৫

গৃহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীৰূপেশ গোৱালাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয়সমূহৰ বাহিৰে) কৰ্মচাৰী, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথসমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰলোচাক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱনসমূহ আৰু অন্যান্য বিষয় সমূহৰ বাহিৰে) লোক নিৰ্মাণ পথসমূহ (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীকৃষ্ণেন্দু পালক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয়সমূহৰ বাহিৰে) চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী শ্ৰীপ্ৰশান্ত ফুকনক সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয়সমূহৰ বাহিৰে), প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন, মুখ্যমন্ত্ৰীৰ সচিবালয়, নিৰ্বাচন, বিধায়ন, ৰাজনৈতিক, ৰূপান্তৰ আৰু উন্নয়ণ আৰু অন্য কোনো মন্ত্ৰীৰ অধীনত ন্যস্ত নকৰা বিভাগ, ক্ৰীড়া আৰু যুৱ কল্যাণ, সংখ্যালঘু কল্যাণ আৰু উন্নয়ণ, লোক নিৰ্মাণ গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ সমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ সাধাৰণ প্ৰশাসনৰ অন্তৰ্গত ভৱনসমূহ আৰু অন্যান্য বিষয়সমূহ) শক্তি, দক্ষতা নিয়োগ আৰু উদ্যমিতা, চিকিৎসা শিক্ষা আৰু গৱেষণা (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা আৰু অন্যান্য বিষয়সমূহ) পশুপালন আৰু পশু চিকিৎসা, মীন, লোক নিৰ্মাণ পথসমূহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা আৰু অন্যান্য বিষয়সমূহ) শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ণ, গৃহ (মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে দায়িত্ব অৰ্পণ কৰা বিভাগৰ কাৰাগাৰ, গৃহৰক্ষী আৰু সামৰিক প্ৰতিৰক্ষা তথা অন্যান্য বিষয়সমূহ)।

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

---

*বিষয়ঃ* আৰক্ষী জিম্মাত আহত আৰু নিহত লোকৰ সংখ্যা।

শ্ৰীমিছবাহুল ইছলাম লস্কৰ ঃ

৫২৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৬ চনৰ মে' মাহৰ পৰা ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈ অসম আৰক্ষীৰ জিম্মাত থকা অৱস্থাত কিমানজন লোক আহত অথবা নিহত হৈছে? ইয়াৰ সবিশেষ তথ্য চৰকাৰৰ হাতত আছেনে?

(খ) উক্ত সময়ছোৱাত আৰক্ষীৰ গুলিত আহত অথবা নিহত লোকৰ সংখ্যা কিমান? বৰ্ষ আৰু জিলাভিত্তিক তথ্য দাখিল কৰিব।

(গ) উক্ত সময়ছোৱাত আহত আৰু নিহত লোকৰ ভিতৰত কিমানজন লোক সন্ত্ৰাসবাদী,

চুৰি-ডকাইতি, বলাৎকাৰ তথা অন্যান্য অপৰাধমূলক কাৰ্য্যকলাপৰ সৈতে জড়িত? তথ্য দাখিল কৰিব।

(ঘ) উক্ত সময়ছোৱাত আৰক্ষীৰ জিম্মাত আহত অথবা নিহত লোকৰ মৃত্যুৰ ঘটনাক কেন্দ্ৰ কৰি কিমানটা গোচৰ পঞ্জীয়ন হৈছিল? ইয়াৰে কিমানটা গোচৰ নিষ্পত্তি হৈছে আৰু কিমানটা গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে? বিস্তৃত তথ্য দাখিল কৰিব।

(ঙ) উক্ত সময়ছোৱাত আৰক্ষীৰ জিম্মাত আহত নাইবা নিহত লোকৰ বিপৰীতে কোনো ক্ষতিপূৰণ আদায় দিবলৈ ন্যায়ালয়ে নিৰ্দেশ জাৰি কৰিছিল নেকি? এই সংক্ৰান্তত বৰ্তমানলৈকে অসম চৰকাৰে কিমান টকা আদায় দিছে আৰু কিমান টকা আদায় নিদিয়াকৈ আছে? বৰ্ষভিত্তিক তথ্য দাখিল কৰিব।

(চ) অধিবক্তা মৃদুল ইছলামৰ পৰিয়ালক ক্ষতিপূৰণ আৰু আত্ম সংস্থাপন কেতিয়া দিব?

*বিষয় ঃ* **চাহ জনজাতি/আদিবাসীৰ আঁচনি**

শ্ৰীনজৰুল হক ঃ

৫২৮। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী মহকুমা কল্যাণ বিভাগৰ অধীনত ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা ২০২৪ বিত্তীয় বৰ্ষলৈকে কিমানটা জাতি-জনগোষ্ঠীক কি কি আঁচনিৰ যোগেদি কি কি সামগ্ৰী বিতৰণ কৰা হৈছে? (আঁচনি, জাতি-জনগোষ্ঠীৰ আৰু সামগ্ৰীৰ নামৰ তালিকা সদনৰ মাজত দাখিল কৰিব)।

(খ) জাতি-জনগোষ্ঠীসমূহৰ কিমান হিতাধিকাৰী আঁচনিসমূহৰ পৰা উপকৃত হৈছে? হিতাধিকাৰী বাঁচনিৰ ক্ষেত্ৰত বিভাগীয় নীতি নিৰ্দেশনা আছে নেকি? যদি আছে, নীতি নিৰ্দেশনাৰ কপি সদনত দাখিল কৰিব।

*বিষয় ঃ* **দক্ষতা বিকাশ সম্পৰ্কীয় পাঠ্যক্ৰম আৰু শৈক্ষিক প্ৰতিষ্ঠান।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৫২৯। মাননীয় দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষতা বিকাশৰ বাবে বৰ্তমানৰ চৰকাৰে কি কি পদক্ষেপ লৈছে জনাব।

(খ) সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দক্ষতা বিকাশ সম্পৰ্কীয় পাঠ্যক্ৰম প্ৰৱৰ্তনৰ ক্ষেত্ৰত কি পদক্ষেপ লোৱা হৈছে? জনাব।

(গ) অসমত দক্ষতা বিকাশ সম্পৰ্কীয় শৈক্ষিক প্ৰতিষ্ঠান ক'ত ক'ত আছে বা নতুনকৈ ক'ত নিৰ্মাণ কৰি থকা হৈছে? জনাব। ইতিমধ্যে স্থাপন হোৱা শৈক্ষিক প্ৰতিষ্ঠানৰ পৰা উত্তীৰ্ণ যুৱক-যুৱতীয়ে চৰকাৰী-বেচৰকাৰী কাৰ্য্যালয়ত পোৱা কৰ্মসংস্থাপনৰ কি তথ্য আছে, বিতংকৈ জনাব।

*বিষয় ঃ* **আৰক্ষীৰ জৰাজীৰ্ণ আৱাস**

শ্ৰীবিনোদ হাজৰিকা ঃ

৫৩০। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম আৰক্ষীৰ জৰাজীৰ্ণ আৱাসসমূহ নতুনকৈ নিৰ্মাণৰ বাবে চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি? সদনক জনাব।

(খ) বৰ্তমানলৈকে মৈত্ৰী আঁচনিৰ অধীনত কিমানখন থানাৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিলে আৰু কিমানখন থানাৰ নিৰ্মাণ কাৰ্য্য চলি আছে, জনাব।

*বিষয়ঃ* **যুৱক-যুৱতীসকলক ক্ৰীড়াৰ ক্ষেত্ৰত বিকশিত কৰা।**

শ্ৰীজলেন দৈমাৰী ঃ

৫৩১। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে সমষ্টিৰ যুৱক-যুৱতীসকলৰ বিকাশৰ বাবে কি কি ব্যৱস্থা লৈছে? যদি লৈছে, তালিকা দাখিল কৰিব।

(খ) বিভাগে যুৱক-যুৱতীসকলৰ ক্ৰীড়াৰ ক্ষেত্ৰত বিকাশৰ বাবে কোনো ক্ৰীড়া সা-সামগ্ৰী বিতৰণৰ ব্যৱস্থা লৈছেনে? যদি নাই লোৱা, ভৱিষ্যতে লোৱাৰ সম্ভাৱনা আছেনে?

*Sub.* : **Special Development packages for indigenous communities of Assam.**

Shri JADAB SWARGIARY :

532. Will the Minister of Transformation & Development Department be pleased to state:

(a) What are the guideline for execution of schemes sanctioned as Special Development Package for Indigenous Communities of Ahom, Chutia, Moran, Matak & others? Please give details.

(b) Can the fund be provided for Namghar development?

(c) Who approves the fund?

(d) Please provide list of schemes under

(i) Sports & Culture.

(ii) Skill Development.

(iii) Furnish the details of the amount and also the place of utilization etc.

(e) Please provide list of proposals submitted by the respective District Commissioners of Sibasagar, Jorhat, Golaghat, Dibrugarh & Tinsukia in consultation with various stake holder of the Ahom, Moran, Matak, Chutia etc. in presence of MLA, etc. after discussion to Govt. and State of Fund release, execution of the projects scheme wise.

*Sub.* : **Minorities Development Board**

Shri RUPJYOTI KURMI :

533. Will the Minister of Welfare of Minorities & Development Department be pleased to state:

(a) Is the Govt. aware that at Jorhat District there are no Minorities Development Board?

(b) If yes, will the Govt. take up urgent step to form the Minorities Development Board at Jorhat District?

(c) If yes, by when?

*বিষয় ঃ* **দুৰ্নীতি সম্পৰ্কীয়**

শ্ৰীপ্ৰদীপ চৰকাৰ ঃ

৫৩৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে ২০১৯-২০ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে কিমানজন দুৰ্নীতিত অভিযুক্ত চৰকাৰী চাকৰিয়ালক গ্ৰেপ্তাৰ কৰিলে? বিভাগ অনুযায়ী তথ্য দাখিল কৰিব।

(খ) এই চৰকাৰী চাকৰিয়ালসমূহৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কিবা অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কিমানজনৰ বিৰুদ্ধে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাব।

(গ) এই বিষয়াসকলৰ ভিতৰত ৰাজপত্ৰিত কোনো বিষয়া আছে নেকি? যদি আছে, তথ্য সহকাৰে জনাব।

(ঘ) চৰকাৰী বিষয়াসকলে নিয়ম অনুসৰি তেওঁলোকৰ সম্পত্তিৰ হিচাব দাখিল কৰিছে নে? তথ্য দিব।

*বিষয় ঃ* **খেলুৱৈৰ প্ৰশিক্ষণ সন্দৰ্ভত**

শ্ৰীতেৰছ গোৱালা ঃ

৫৩৫। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে কি কি আঁচনি ৰূপায়ণ কৰি আছে? বিধান সভা ভিত্তিত তথ্য দিব।

(খ) অসমত খেলৰ লগত জড়িত ক্লাবৰ সংখ্যা কিমান? উক্ত ক্লাবসমূহক বিভাগৰ ফালৰ পৰা খেলৰ সামগ্ৰী যোগান ধৰা হয়নে? যদি হয়, ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কিমান ক্লাবক কি কি খেলৰ সামগ্ৰী যোগান ধৰা হ'ল, সমষ্টি ভিত্তিত তথ্য দিব।

(গ) ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ জৰিয়তে কি কি খেলৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে? প্ৰশিক্ষণ কেন্দ্ৰসমূহ ক'ত ক'ত অৱস্থিত? সবিশেষ জনাব।

(ঘ) জিলা, ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত খেলত অংশগ্ৰহণ কৰিবলৈ যোৱা খেলুৱৈসকলক আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা আছে নেকি?

(ঙ) যদি আছে, ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কিমানগৰাকী খেলুৱৈক আৰ্থিক সাহায্য প্ৰদান কৰা হ'ল? তালিকা দিব।

*বিষয় ঃ* **প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক যোজনা সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৫৩৬। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা-৩ ৰ জৰিয়তে অসমত কিমান কিলোমিটাৰ পথ আৰু দলং পকীকৰণ কৰা হৈছে? Division Wise তথ্য দিব।

(খ) প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা-৩ ৰ জৰিয়তে এতিয়াও পথ পকীকৰণৰ নিৰ্মাণ কাৰ্য্য চলি আছে নেকি? যদি আছে, কামৰ অগ্ৰগতি সম্পৰ্কে বিতং ভাৱে জনাব।

(গ) প্ৰধানমন্ত্ৰী গ্ৰাম সড়ক যোজনা-৪ ৰ জৰিয়তে অসমত কিমান কিলোমিটাৰ পথ পকীকৰণৰ বাবে বিভাগে কেন্দ্ৰীয় চৰকাৰৰ বিভাগত প্ৰস্তাৱ আগবঢ়াইছে? এই কামৰ অনুমোদনসমূহ কেতিয়া লাভ কৰিব? বিতং ভাৱে জনাব।

*বিষয় ঃ* **খেলৰ সঁজুলিৰ সম্পৰ্কে**

শ্ৰীমৃণাল শইকীয়া ঃ

৫৩৭। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমত আৰম্ভ হোৱা খেল মহাৰণৰ পৰিপ্ৰেক্ষিতত গাঁওসমূহত খেলৰ পৰিবেশ ঘূৰি আহিছে আৰু Foot Ball, Volley Ball, Badminton আদি কৰি খেলৰ সঁজুলিসমূহৰ চাহিদা বৃদ্ধি পাইছে। গতিকে গাঁওসমূহত চৰকাৰে খেলৰ সামগ্ৰী যোগান ধৰাৰ চিন্তা চৰ্চা কৰিছে নেকি?

*বিষয় ঃ* **অসম চৰকাৰী ভাষা আইন-১৯৬০ প্ৰয়োগ**

শ্ৰীপোনাকণ বৰুৱা ঃ

৫৩৮। মাননীয় ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰী ভাষা আইন ১৯৬০ সঠিক ভাৱে চৰকাৰে কিয় কাৰ্য্যকৰী কৰিব পৰা নাই?

(খ) এই আইন প্ৰযোজ্য নোহোৱা, আইনৰ বাহিৰত গৈ ইংৰাজী ভাষা অধিক ব্যৱহাৰৰ ফলত ৰাজ্যত অসমীয়া ভাষাৰ গুৰুত্ব কমা বিষয়ে চৰকাৰ অৱগত নে?

(গ) এই আইনৰ সঠিক কাৰ্য্যকৰীকৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা সম্প্ৰতি গ্ৰহণ কৰিছে?

(ঘ) ৰাজ্যভাষা অসমীয়া ভাষাৰ ব্যৱহাৰিক গুৰুত্ব বৃদ্ধিৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

*বিষয় ঃ* **দেহৰক্ষী আৰু হাউচগাৰ্ড**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৫৩৯। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে কোন কোন ব্যৱসায়ীক দেহৰক্ষী আৰু হাউচ গাৰ্ড প্ৰদান কৰিছে আৰু তেওঁলোকৰ ব্যৱসায়ৰ তথ্য দাখিল কৰিব।

(খ) ব্যৱসায়ী শ্ৰীহৰেণ মহন্তক দেহৰক্ষী আৰু হাউচ গাৰ্ড প্ৰদান কৰা হৈছে নেকি? যদি হৈছে কি ভিত্তিত ?

(গ) অসমৰ কিমান অৱসৰপ্ৰাপ্ত বিষয়াক নিৰাপত্তা দিয়া হৈছে?

(ঘ) বিধায়ক, সাংসদ, প্ৰাক্তন সাংসদক কিমানজনকৈ নিৰাপত্তাৰক্ষী দিয়া হৈছে? তথ্য দিব।

*বিষয় ঃ* **চিগ্‌নেচাৰ আঁচনিৰ পুঁজি সম্পৰ্কত**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

৫৪০। মাননীয় ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৮-১৯ বিত্তীয় বৰ্ষত চিগ্‌নেচাৰ আঁচনিত ১০ (দহ) কোটিকৈ বিধায়কসকলক দিয়া পুঁজিৰ পশ্চিম গুৱাহাটীৰ বাবে ধাৰ্য্য কৰা পুঁজি দীপৰ বিলৰ উন্নয়নৰ বাবে অসম পৰ্য্যটন নিগমক দিয়া হোৱা নাছিলনে? যদি দিয়া হৈছিল, তেনেহ'লে বৰ্তমান উক্ত পুঁজি কি অৱস্থাত আছে, জনাব নে?

(খ) এই পুঁজি উক্ত আঁচনিৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে নেকি?

(গ) যদি প্ৰত্যাহাৰ কৰা হৈছে, তেনেহ'লে উক্ত পুঁজি শান্তিপুৰ ৰাজ্যিক চিকিৎসালয়ৰ গৃহ নিৰ্মাণৰ বাবে আবণ্টন দিয়াৰ ব্যৱস্থা কৰিব নে?

*বিষয় ঃ* **Up-gradation of Jamira PPP to Jamira P.S..**

শ্ৰীসুজাম উদ্দিন লস্কৰ ঃ

৫৪১। মাননীয় গৃহ বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলার কাটলিছড়া সমষ্টির Jamira Police Petrol Post কে Upgrade করে Jamira Police Stationএ রূপান্তরিত করার সরকারের কোন পরিকল্পনা আছে কি?

(খ) যদি পরিকল্পনা থাকে, তবে কবে নাগাদ থানা হিসাবে রূপান্তরিত করা হবে?

*বিষয় ঃ* আছুতীয়া পুঁজি আৰু অসম দৰ্শন আঁচনি সম্পৰ্কে।

শ্ৰীনিজানুৰ ৰহমান ঃ

৫৪২। মাননীয় ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৪ নং গৌৰীপুৰ বিধান সভা সমষ্টিত ৰূপান্তৰ আৰু উন্নয়ন বিভাগে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষলৈকে 'আছুতীয়া পুঁজি, (Untide Fund) আৰু 'অসম দৰ্শন' আঁচনিৰ কি কি আঁচনি গ্ৰহণ কৰিছে? (বৰ্ষ অনুযায়ী আঁচনিৰ নাম, ধাৰ্য্য কৰা টকাৰ পৰিমাণ সহ সদনত দাখিল কৰিব)।

(খ) উক্ত আঁচনিসমূহৰ ৰূপায়ণ সম্পূৰ্ণ ভাৱে হৈছেনে? যদি হোৱা নাই, আঁচনিসমূহ সম্পূৰ্ণ কৰাৰ বাবে বিভাগ তথা চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* পকী দলং নিৰ্মাণ

শ্ৰীমতী নন্দিতা দাস ঃ

৫৪৩। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাত বৰ্তমান কিমানখন পকী দলং বিভিন্ন নদ-নদীৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া আছে?

(খ) ইয়াৰে বকো সমষ্টিৰ (পুৰণা) ভিতৰত কিমানখন এনেকুৱা দলং নিৰ্মাণ কৰিবলগীয়া আছে?

(গ) বকো সমষ্টিত নিৰ্মাণ কৰিবলগীয়া পকী দলং কেইখনৰ ভিতৰত (i) মৰাকলহী নদীৰ ওপৰত জাউকাতাদিয়া দলং (ii) মৰাকলহী নদীৰ ওপৰত ছালমাৰা দলং দুখন অতি দৰকাৰী, এই বিষয়ে চৰকাৰ অৱগত নে?

(ঘ) যদি অৱগত, উক্ত দলং দুখন পকীকৰণ কৰাৰ ব্যৱস্থা এই বিত্তীয় বৰ্ষৰ বাজেটত গ্ৰহণ কৰিবনে?

*Sub.* : **I B Related**

Shri BHUPEN BORO :

544. Will the Minister of GAD Department be pleased to state:

(a) Is the Govt. aware that the Barama IB is in dilapidated condition ?

(b) If yes, what measures have been taken to upgrade the IB till date ?

(c) If no, when the Department will start the repairing and upgradation of IB Building in Barama ?

*বিষয় ঃ* অত্যাধুনিক ৰাজহুৱা প্ৰেক্ষাগৃহ নিৰ্মাণ সম্পৰ্কে।

শ্ৰীধৰ্ম্মেশ্বৰ কোঁৱৰ ঃ

৫৪৫। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰাইদেউ জিলা পদৰ সোণাৰি নগৰৰ মাজমজিয়াত থকা একমাত্ৰ ৰাজহুৱা প্ৰেক্ষাগৃহটো যথেষ্ট পুৰণি হোৱাৰ বাবে আন্তঃগাঁথনি একেবাৰে দুৰ্বল হৈ গৈছে। এই ক্ষেত্ৰত বিভাগে পুনৰ মেৰামতিৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) বৰ্ধিত চৰকাৰী সভা সমিতি তথা কাৰ্য্যসূচীৰূপায়ণৰ বাবে সোণাৰিত নতুনকৈ এটা ৰাজহুৱা প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

*বিষয় ঃ* পকী **(PUCCA/RCC)** দলং নিৰ্মাণ সম্পৰ্কে।

শ্ৰীমজিবুৰ ৰহমান ঃ

৫৪৬। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

দলগাঁও আৰু পুৰণা কলাইগাঁও বিধানসভা সমষ্টিৰ মাজত সংযোগী ১/২ নং বৰুৱাঝাৰ গাঁও পঞ্চায়তৰ আমতলাত থকা Missing Linkত

আৰ.চি.চি. দলংখন দুয়োটা সমষ্টিৰ বৃহৎ সংখ্যক জনসাধাৰণৰ যাতায়তৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে নিৰ্মাণ কৰাৰ কিবা পদক্ষেপ গ্ৰহণ কৰিবনে? তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **ইক' পাৰ্ক প্ৰকল্পৰ পুঁজি সম্পৰ্কে**

শ্ৰীমতী দিপ্তীময়ী চৌধুৰী ঃ

৫৪৭। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বঙাইগাঁও ভ্ৰমণৰ সময়ত বঙাইগাঁৱৰ ইক' পাৰ্কত লাইট এণ্ড চাউণ্ড প্ৰকল্প নিৰ্মাণ কৰা হ'ব বুলি কৰা ঘোষণাৰ বিষয়টো বৰ্তমান কি পৰ্য্যায়ত আছে, সদনক জনাবনে?

(খ) এই প্ৰকল্প নিৰ্মাণৰ বাবে আগন্তুক ২০২৫-২৬ বৰ্ষৰ বাজেটত প্ৰয়োজনীয় পুঁজি ধাৰ্য্য কৰা হ'ব নে?

*বিষয় ঃ* **শিলচর রেলওয়ে স্টেশনের নাম পরিবর্তন সংক্রান্ত গেজেট নোটিফিকেশন সংক্রান্ত।**

শ্ৰীদিপায়ন চক্ৰৱৰ্ত্তী ঃ

৫৪৮। মাননীয় রাজনৈতিক বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) মাতৃভাষার অস্তিত্ব রক্ষার দাবী জানাতে গিয়ে ১৯৬১ সালের ১৯ শে মে'ত শিলচর রেলওয়ে স্টেশনে পুলিশের গুলিতে শহীদ হওয়া ১১ জন শহীদের সন্মানে "ভাষা শহীদ স্মরণ সমিতির" দাবী শিলচর রেল স্টেশনের নাম পরিবর্তন করে "ভাষা শহীদ স্টেশন শিলচর" করার ব্যাপারে ভারত সরকারের পক্ষ থেকে No Objection দেওয়া হয়েছিল কি না?

WITHDRAWN

(খ) শিলচর রেল স্টেশনের নাম পরিবর্তন করে "ভাষা শহীদ স্টেশন শিলচর" করার ব্যাপারে অসম সরকারের পক্ষ থেকে ভারত সরকারকে No Objection দেওয়া হয়েছিল কি না?

(গ) শিলচর রেল স্টেশনের নাম পরিবর্তন করে "ভাষা শহীদ স্টেশন, শিলচর" করার ব্যাপারে অসম সরকারের সবিশেষ সিদ্ধান্ত কি?

(ঘ) মাতৃভাষা (বাংলা) রক্ষার জন্য ১৯৬১ সালের ১৯ শে মে'ত শিলচর রেলওয়ে স্টেশনে পুলিশের গুলিতে শহীদ হওয়া ১১ জন শহীদদের সন্মনিত করার জন্য অসম সরকারের কোনো পরিকল্পানা আছে কি?

*Sub.*: **Stadium in Mazbat constituency**

Shri CHARAN BORO :

549. Will the Minister of Sports & Youth Welfare Department be pleased to state:

The Government had announced the construction of a stadium in each constituency of the state. However, after delimitation, the stadium originally planned for Mazbat under Signature project was included in Udalguri constituency, leaving Mazbat without a proper stadium. Will the Government sanction a new stadium for Mazbat constituency in the greater interest of promoting sports in the region?

*বিষয় ঃ* **ষ্টেডিয়ামৰ সন্দৰ্ভত**

শ্ৰীসুৰেন ফুকন ঃ

৫৫০। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিৰ যুৱকসকলৰ বাবে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ পৰা কি কি আঁচনি ৰূপায়ণ কৰা হৈছে? (বিতং ভাৱে জনাব)।

(খ) বুঢ়ীদিহিং মৌজাত এখনি আধুনিক সুবিধাযুক্ত ষ্টেডিয়ামৰ প্ৰয়োজন আছে, বিভাগে এই ক্ষেত্ৰত কিবা পৰিকল্পনা হাতত লৈছে নেকি? (বিতং ভাৱে জনাব)।

(গ) ৰাজ্যিক পৰ্য্যায়ৰ লগতে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ক্ৰীড়াৰ বাবে সাজু কৰিবলৈ বিভাগৰ ফালৰ পৰা স্থানীয় পৰ্য্যায়ত কি কি কাৰ্যসূচী ৰূপয়াণ কৰা হৈছে? (বিতং ভাৱে জনাব)।

*বিষয় ঃ* **চাহ বাগিচাৰ আদৰ্শ বিদ্যালয় সম্পৰ্কে**

শ্ৰীসঞ্জয় কিশান ঃ

৫৫১। মাননীয় চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়সমূহত প্ৰতিষ্ঠাকালৰ পৰা অবৈতনিক ভাৱে কৰ্মৰত হৈ থকা চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ পদসমূহ নিয়মীয়াকৰণ কৰিব পৰাকৈ নিৰ্দিষ্ট Non-Teaching Post সৃষ্টিৰ বাবে (Post Creation) বিভাগৰ তৰফৰ পৰা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

(খ) অন্য বিদ্যালয়ৰ পৰা শিক্ষকসকলক সংলগ্ন (Attached) কৰি ৰাখি পাঠদান অব্যাহত ৰখাৰ পৰিৱৰ্তে শিক্ষকৰ পদ সৃষ্টিৰ বাবে বিভাগীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে নেকি? যদি হৈছে, তেন্তে কিমান দিনৰ ভিতৰত চাহ-বাগিচাৰ আদৰ্শ বিদ্যালয়সমূহত নিয়মীয়া পদ সহ শিক্ষক মকৰল কৰিব পৰা যাব?

(গ) তলত উল্লেখিত চাহ-বাগিচাৰ আদৰ্শ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ সংখ্যা কম,

(i) চান্দমাৰি চাহ-বাগিচা আদৰ্শ বিদ্যালয়

(ii) শুকান পুখুৰী চাহ-বাগিচা আদৰ্শ বিদ্যালয়।

(iii) কেহেং চাহ-বাগিচা আদৰ্শ বিদ্যালয়

(iv) দেওহাল চাহ-বাগিচা আদৰ্শ বিদ্যালয়

(v) হাতীমৰা চাহ-বাগিচা আদৰ্শ বিদ্যালয়

(vi) বজালনী চাহ-বাগিচা আদৰ্শ বিদ্যালয়

এই বিদ্যালয়সমূহত বাগিচা কৰ্তৃপক্ষৰ দ্বাৰা অস্থায়ী ভাৱে দৈনিক হাজিৰা ভিত্তিত নিয়োজিত হৈ থকা উপযুক্ত অৰ্হতা সম্পন্ন শিক্ষক-শিক্ষয়িত্ৰীসকলক পদ সহ নিযুক্তি প্ৰদান কৰা হ'ব নেকি?

*বিষয় ঃ* **কাৰাগাৰ সংস্কাৰ।**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৫৫২। মাননীয় গৃহ (কাৰাগাৰ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কাৰাগাৰত বৰ্তমান আবাসীৰ সংখ্যা কিমান? কোন কোন কাৰাগাৰত কিমান লোক থকাৰ সুবিধা আছে?

(খ) কোন কোন কাৰাগাৰত কিমান সংখ্যক বাথৰুম বা টয়লেট আছে? কিমান সংখ্যক কাৰাবন্দীৰ বিপৰীতে এটা টয়লেট আছে?

(গ) কাৰাগাৰ সমূহৰ সংস্কাৰ আৰু আন্তঃগাঁথনি উন্নয়ণৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

*বিষয় ঃ* PMGSY সম্পৰ্কে।

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

৫৫৩। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত PMGSY আঁচনিৰ কোনটো PHASE ৰ কাম চলি আছে আৰু ক'ত ক'ত চলি আছে? গোলকগঞ্জ সমষ্টিত এই PMGSY আঁচনিৰ কিমান ৰাস্তা লোৱা হৈছে আৰু ক'ত

ক'ত কাম চলি আছে? তালিকা সহ তথ্য সহকাৰে জনাব।

(খ) PMGSY আঁচনিৰ ৰাস্তাৰ কাম অন্তৰ্ভুক্ত কৰিবলৈ কেনেকুৱা নিয়ম বা ইয়াৰ Guideline কি? সদনত উল্লেখ কৰিব।

(গ) অসমত কিমান সংখ্যক গাঁও ৫০০+ জনসংখ্যা থকা এতিয়াও PMGSY-IV ৰ অধীনত বা আন কোনো আঁচনিৰ অধীনত পকী ৰাস্তাৰে সংযোগ হোৱা নাই? জিলা ভিত্তিক তথ্য দিব?

(ঘ) PMGSY ৰ অধীনত অগ্ৰাধিকাৰ তালিকা প্ৰস্তুত কৰা হৈছে, ধুবুৰী জিলাৰ অগ্ৰাধিকাৰ তালিকা সদনত দাখিল কৰিব। যদি হোৱা নাই, কেতিয়ালৈকে অগ্ৰাধিকাৰ তালিকা প্ৰস্তুত হ'ব জনাব।

*বিষয় ঃ* **স্বাধীনতা সংগ্ৰামী পেনশন সম্পৰ্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৫৫৪। মাননীয় গৃহ বিভাগের মন্ত্ৰী মহাশয় অনুগ্ৰহ করিয়া জনাইবেন কি ঃ

(ক) আসামে বৰ্তমানে কত সংখ্যক পরিবার স্বাধীনতা সংগ্ৰামী পেনশন পাচ্ছেন তাহার জেলাভিত্তিক তথ্য সদনে প্ৰকাশের অনুরোধ জানাই।

(খ) আসামে স্বাধীনতা সংগ্ৰামী বৰ্তমানে কতজন ব্যক্তি জীবিত অবস্থায় আছেন যাহারা স্বাধীনতা সংগ্ৰামী পেনশন পাচ্ছেন তাদের জেলাভিত্তিক তথ্য সদনে প্ৰকাশের জন্য অনুরোধ জানাই।

(গ) আসামের স্বাধীনতা সংগ্ৰামী ছিলেন বা স্বাধীনতা আন্দোলনে অংশগ্ৰহণ করেছিলেন ওইসব বরেণ্য ব্যক্তিদের সান্মানার্থে কোনো তথ্যচিত্র বা সংগ্ৰহশালা গঠন করার সরকারের কোনো পরিকল্পনা আছে কী? যদি থাকে তাহার তথ্য তদনে প্ৰকাশের জন্য অনুরোধ জানাই।

(ঘ) শ্ৰীভূমি জেলার এওলাবাড়ী চা অঞ্চলের আসামের স্বাধীনতা সংগ্ৰামী স্বৰ্গীয় ক্ষীরোধ মোহন ভট্টাচাৰ্যের সুপুত্ৰ বিপ্লবী অসিত ভট্টাচাৰ্য্য তদানীন্তন ব্ৰিটিশ সরকার যাঁহাকে ফাঁসি দিয়েছিল তাঁর সম্মানার্থে আসাম সরকাৰ কোনোধরণের পরিকল্পনা গ্ৰহন করেছেন কী?

*Sub.* : **Circuit House.**

Smti. SIBAMONI BORA :

555. Will the Minister of GAD be pleased to state :

(a) Whether the State Government has issued circular restricting use of Circuit House, Assam House, etc. by Government Officers beyond certain no. of days? Please give details along with copy of circular.

(b) How many officers are violating the circular in and outside Assam? Please give details as per format?

| 1 | 2 | 3 |
|---|---|---|
| Sl. No. | Name of Employee | Designation |
| | | |

| 4 | 5 | 6 |
|---|---|---|
| Department | Staying since | Remarks |
| | | |

(c) Is it true that some officers are taking HRA and also staying at

Government accommodation in Assam House, Circuit House, etc. causing difficult to common public, patients, etc.? Please give details.

(d) Is it true there is no staff canteen for the employees of Assam House in some states where it exists, in spite of provision and availability of cook, etc.? Please give details.

*Sub.* : **Construction of SH-43 and roads in Goalpara district.**

Shri. ABDUR RASHID MANDAL :

556. Will the Minister of Public Works Department be pleased to state:

(a) What steps taken for construction of State Highway No. SH-43 Khalisabhita-Lakhipur-Taltola-Kharmuja-Goalpara-Matia-Simlitola-Kalatoli-Singimari Habi-Chaygaon-Owguri-Kulsi-Loharghat-Rajapara-Chandubi Lake after notification by the Govt. vide No. E- 189067/33 dated 24-08-2023 ? Please furnish in details.

(b) Please furnish the following informations in details in connection with (a) Construction of Balijana to Borjhor Road (0.00KM to 10th KM) (Agia to Ketekibari Road) and (b) Improvement of Solmari Road from ch. 0.00KM to 5.10 KM in Goalpara District.

i. Scheme wise name of contractor with date of issue of works, date of commencement, estimated cost, physical progress of works, amount already paid to contractor, time allowed for completion of work within the stipulated period and actions taken for delay in completion of works.

(c) Whether the Govt. is aware about the execution of under specified below standard works by the contractors of above 2 (two) schemes? If yes, what steps taken against those contractors and rectification of the works? If not, will Govt. order for physical enquiry by the CE, APWRD, Assam ? If yes, when? If not, why ?

*বিষয় ঃ* **নাগৰিকত্ব সম্পৰ্কে।**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

৫৫৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত বিদেশী ন্যায়ধীকৰণৰ যোগেদি বৰ্তমানলৈ কিমান সংখ্যক লোকক বিদেশী ঘোষণা কৰা হৈছে? জিলা অনুযায়ী বছৰ হিচাপে পৃথকে তথ্য জনাব।

(খ) জিলা অনুযায়ী বিদেশী ন্যায়ধীকৰণত পেণ্ডিং হৈ থকা নাগৰিকত্ব, দিতেনচন কেম্প, এন আৰ চি আদিত থকা নাগৰিক সকলৰ নাম বিতং ভাবে জনাব।

*বিষয় ঃ* **নাওবৈচা (পুৰণি) সমষ্টিৰ বিধ্বস্ত ৰাস্তা নিৰ্মাণ।**

শ্ৰীঅখিল গগৈ ঃ

৫৫৮। মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ পূৰ্বৰ অৰ্থাৎ পুৰণি নাওবৈচা সমষ্টিৰ কিমান পথ বিধ্বস্ত হৈ

আছে, আৰু কিমান পথ পুনৰ নিৰ্মাণৰ প্ৰয়োজন? পথসমূহৰ নাম আৰু দীৰ্ঘতা (কিঃমিঃত) জনাব।

(খ) পুৰণি নাওবৈচা বিধানসভা সমষ্টি (সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ পূৰ্বৰ) বিধ্বস্ত ৰাস্তা-দলংসমূহ নিৰ্মাণৰ বাবে বিভাগে যথোপযুক্ত ব্যৱস্থা ল'বনে? কোনটো পথ কেতিয়া নিৰ্মাণ কৰিব আৰু কি আঁচনিৰ অধীনত নিৰ্মাণ কৰিব সদনক অৱগত কৰিব।

*বিষয় ঃ* **ইতিহাস প্ৰসিদ্ধ জয়পাল দেৱালয়ৰ উন্নয়ন।**

শ্ৰীদিগন্ত বৰ্মন ঃ

৫৫৯। মাননীয় ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত দিংদিঙি গাঁৱৰ পাগলাদিয়া নদীৰ বাঁওফালে অৱস্থিত আহোম স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্ব কালত (১৭১৮-১৭৪৪ খ্ৰীঃ) নিৰ্মিত শ্ৰী শ্ৰী জয়পাল দেৱালয়ৰ উন্নয়নৰ বাবে ৰূপান্তৰ আৰু উন্নয়ন বিভাগে পুঁজিৰ ব্যৱস্থা কৰিবনে?

*বিষয়ঃ* **চিকিৎসা শিক্ষাৰ আসন সম্পৰ্কে।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৫৬০। মাননীয় চিকিৎসা শিক্ষা আৰু গবেষণা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জানাবনেঃ

(ক) চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগত চলিত বিত্তীয় বৰ্ষত কিমান ধন কি কি শিতানত খৰচ কৰিছে? বিতং ভাবে জনাব।

(খ) এই বিভাগত কিমান পদ খালী হৈ আছে?

(গ) অসমত চিকিৎসা শিক্ষাৰ বাবে কিমান আসন আছে? আসনৰ সংখ্যা বৃদ্ধি কৰাৰ কিবা পৰিকল্পনা আছে নেকি?

*বিষয় ঃ* **বিদ্যুৎ সংযোগীকৰণ।**

শ্ৰীকৃষ্ণকমল তাঁতী ঃ

৫৬১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙাপাৰা সমষ্টিত কোন কোন অঞ্চলত বিদ্যুৎ সংযোগ নাই, বিভাগৰ হাতত তথ্য আছেনে? যদি আছে, তথ্য সহকাৰে জনাব।

(খ) চৰকাৰে বিদ্যুৎ সংযোগ নথকা গাঁও সমূহত সংযোগ কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে? তথ্য সহকাৰে জনাব।

(গ) ৰঙাপাৰা সমষ্টিত বহুত অঞ্চলত লো'ভ'ল্টেজৰ সমস্যা আছে, এই সমস্যা সমূহ সমাধান কৰিবৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* আয়ুষ্মান।

ডাঃ আচিফ মহম্মদ নাজাৰ ঃ

৫৬২। মাননীয় চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত বৰ্তমান কেইখন আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় আছে?

(খ)এই চিকিৎসালয় সমূহত চিকিৎসক আৰু নাৰ্ছৰ পদ কিমান? কিমান পদ খলী হৈ আছে? চিকিৎসালয় অনুসৰি তথ্য দিব।

(গ) মৰিগাঁও জিলাত বৰ্তমান কিমানখন আয়ুৰ্বেদিক চিকিৎসালয় আছে?

(ঘ) মৰিগাঁও জিলাত আয়ুৰ্বেদিক চিকিৎসালয় স্থাপন কৰাৰ কোনো প্ৰস্তাৱ লোৱা হৈছে নেকি?

*Sub.* : **Coaches and fund for sports.**

Shri. DEBABRATA SAIKIA

563. Will the Minister of Sports and youth Welfare Department be pleased to state:

(a) Does the Sports Dept. have any scheme for providing coaches in various locations for interested individuals, clubs etc.?

(b) How are these determined?

(c) Please provide a list with permanent & temporary place of posting of coaches in last 3 Years.

| No. of Coaches | Sports / Discipline | Place of posting | Under Date |
|---|---|---|---|
| | | | |

(d) Why no coach (es) have been provided till now in Nazira? Will the Directorate take steps to provide coaches? Has Local MLA requested Govt. for Coach please furnish details.

(e) What schemes are ongoing under Sports Department for clubs, sportsmen, etc.?

(f) Will the Dept. supply sports goods, fund for infra Development etc. per LAC?

(g) Please give details of sports goods jersy etc. issued to 126 LACs since 2016 year wise.

*বিষয় ঃ* **Railway Closed রাস্তা চলাচলেৰ ব্যৱস্থা।**

শ্ৰীজাকির হুসেন লস্কর ঃ

৫৬৪। মাননীয় PWD বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাইবেন কি ঃ

হাইলাকান্দি জেলার আয়নারখাল, বাউয়ারঘাট এবং রাজ্যশ্বরপুর এলাকায় জনসাধারণের চলাচলের রাস্তা রেল বিবাগ দ্বারা সম্পূর্ণভাবে বন্ধ করে দেওয়া হয়েছে। তাই এই সব অঞ্চলের কয়কে হাজার জনগনের চলাচলের এইসব বন্ধ রাস্তা গুলোতে রেলওয়ে লাইনের নিচে দিয়ে Underground অথবা রেলওয়ে লাইনের উপরে Over bridge রাস্তা নির্মাণ করার কোন পরিকল্পনা আছে কি?

*বিষয় ঃ* **কাৰ্বি আংলং Autonomous Councilৰ ভৌগোলিক সীমাৰেখাৰ বাহিৰত গঠন কৰিবলগীয়া প্ৰস্তাৱিত কাৰ্বি উন্নয়ন পৰিষদ।**

শ্ৰীবিদ্যা সিং ইংলেং ঃ

৫৬৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাৰ্বি আংলং Autonomous Council ৰ ভৌগোলিক সীমাৰেখাৰ বাহিৰত বসবাস কৰা কাৰ্বি জনগোষ্ঠীয় লোকসকলৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে যি উন্নয়ন পৰিষদ গঠনৰ ব্যৱস্থা কৰা হৈছে- সেই খন বৰ্তমান কি পৰ্য্যায়ত আছে?

(খ) এই পৰিষদখন গঠন কৰাৰ বাবে যাৱতীয় ভূমি অসমৰ কোন অঞ্চলত অধিগ্ৰহণ কৰা হ'ল বা হ'ব?

(গ) যাৱতীয় ভূমি অধিগ্ৰহণ কৰি উন্নয়ন পৰিষদখন গঠন কৰাৰ কি পৰিকল্পনা বা ব্যৱস্থা কৰিছে জনাব।

*বিষয় ঃ* আৰ্থ সামাজিক উন্নয়ন

ড° অমিয় কুমাৰ ভূঞা ঃ

৫৬৬। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) সংখ্যালঘু ৰাইজৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে বিভাগীয়ভাৱে কি কি ধৰণৰ আঁচনি ক'ত ক'ত ৰূপায়ণ কৰি থকা হৈছে? (সদনত জনাব)।

(খ) যোৱা ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত সংখ্যালঘু ৰাইজৰ উন্নয়নৰ বাবে কিবা আঁচনি গ্ৰহণ কৰা হৈছিল নেকি? যদি হৈছিল, সেই আঁচনিসমূহ কি পৰ্য্যায়ত আছে? (সদনত জনাব)

(গ) সংখ্যালঘু বসতিপ্ৰধান অঞ্চলত সামগ্ৰিক উন্নয়নৰ বাবে কি কি ধৰণৰ আন্তঃগাঁথনি উন্নয়নৰ আঁচনি গ্ৰহণ কৰিব পৰা যায়? (সদনত জনাব)

*Sub.* : **Construction of boys' hostel under MSDP at Mandia Anchalik College etc.**

Shri SHERMAN ALI AHMED :

567. Will the Minister of P. W. Department be pleased to state :

(a) In view of reply to starred QN 94 dated 12-02-2024, what action is taken on leter no. CE/TB-VII/87/2013 dated 03-02-2024 regarding forfeiture of the security money ? Please furnish details.

(b) Whether Shri Mrigen Sutradhar is blacklisted ? If not, why ?

(c) Why the boy's hostel is not completed in full as per original provisions ?

(d) When the same shall be completed ?

(e) Is it true that Rs. 283.04 lakh were sanctioned during 2018-19 for construction of IB at Mandia ? If yes, why the construction is not started ?

(f) Whether AA no. AA/PWR_2018-19(I)_5660 dtd 05-01-2019 is revalidated ?

(g) If not, would the Govt. be pleased to revalidate the administrative approval ?

(h) What are the dates of work order, stipulated date of completion of Mandia-Dighirpam road under SOPD for 2018-19 ? What is the present status of implementation and amount released to the contractor till date ?

(i) Why the work is not completed as yet ?

*বিষয় ঃ* **ৰাজহৰ পৰা চৰকাৰ বঞ্চিত প্ৰসংগত**

শ্ৰীপোনাকণ বৰুৱা ঃ

৫৬৮। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰু-ব্ৰহ্মপুত্ৰ ফিছাৰী, ব্ৰহ্মপুত্ৰ পাৰ্ট III, IV, V নাহৰকটীয়া ফিছাৰী, চেচা নদী ফিছাৰী বিগত কেইবছৰৰ পৰা কিয় নিবিদা বিহীনভাৱে চলি আছে?

(খ) কি নীতিৰ আধাৰত আৰু কোন মাছ মহল দাৰক উপৰোক্ত মহল সমূহ চলাবলৈ অনুমতি দিয়া হৈছে? পৃথক ভাৱে জনাব।

(গ) উক্ত অঞ্চলসমূহৰ উপৰিও ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ 'ইক চেনচিটিভ' জ'নত

অবৈধভাৱে মাছ মাৰি থকা বিষয়টোত চৰকাৰ অৱগত নে? যদি অৱগত চৰকাৰে কিয় দৃষ্টি দিয়া নাই?

(ঘ) উক্ত মাছ মহল সমূহৰ পৰা চৰকাৰে পাব লগা ৰাজহৰ পৰা বঞ্চিত কৰি অবৈধ ভাৱে কোনে এই কাৰ্য্য সংঘটিত কৰিছে? তাৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা হাতত ল'ব জনাব।

(ঙ) ডিব্ৰু-ব্ৰহ্মপুত্ৰ ফিছাৰী, ব্ৰহ্মপুত্ৰ পাৰ্ট III, IV, V, নাহৰকটীয়া ফিছাৰী, চেচা নদী ফিছাৰীৰ নিবিদা কেতিয়া আহ্বান কৰিব?

*বিষয় ঃ* **শ্ৰমিকৰ দৰমহা আৰু অন্যান্য সা-সুবিধা সম্পৰ্কে।**

শ্ৰীতেৰছ গোৱালা ঃ

৫৬৯। মাননীয় শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানখন পঞ্জীয়নভুক্ত চাহ বাগিচা আছে? জিলা ভিত্তিত চাহ বাগিচা সমূহৰ নাম তালিকা দিব।

(খ) বৰ্তমান কৰ্মৰত স্থায়ী আৰু অস্থায়ী চাহ শ্ৰমিকৰ সংখ্যা কিমান? জিলা ভিত্তিত সংখ্যা দিব।

(গ) বৰ্তমান চাহ শ্ৰমিক সকলৰ ন্যূনতম মজুৰী কিমান? এই মজুৰী কেতিয়াৰ পৰা লাভ কৰিছে আৰু কেতিয়া ইয়াৰ ম্যাদ শেষ হ'ব? বিতং ভাৱে জনাব।

(ঘ) চাহ বাগিচাত কৰ্মৰত স্থায়ী আৰু অস্থায়ী শ্ৰমিক সকলে আইনগত ভাৱে কি কি সা-সুবিধা পায়? সবিশেষ জনাব।

(ঙ) অসমত বৰ্তমান কিমানখন চাহ বাগিচা বন্ধ হৈ আছে? কেতিয়াৰ পৰা আৰু কি কাৰণত বন্ধ হৈ আছে? সবিশেষ জনাব।

(চ) এণ্ডৰউইল কোম্পানীৰ চাহ বাগিচা সমূহত দৰমহাকে ধৰি বিভিন্ন সা-সুবিধা কিমান দিনৰ পৰা বন্ধ হৈ আছে? সবিশেষ জনাব।

(ছ) দুলীয়াজান সমষ্টিত থকা বাছমতীয়া চাহ বাগিচাত যোৱা ৩ মাহ ধৰি দৰমহা নিদিয়াটো সত্য নেকি? যদি সত্য, দৰমহা দিয়াৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে? বিতং ভাৱে জনাব।

*বিষয় ঃ* **প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনা সম্পৰ্কে।**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৫৭০। মাননীয় চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত যোজনাৰ অধীনত কি কি বেমাৰ চিকিৎসাৰ বাবে অন্তৰ্ভুক্ত হয়? বিতংকৈ জনাব।

(খ) আয়ুষ্মান ভাৰত কাৰ্ডৰ জৰিয়তে চৰকাৰে বিনামূলীয়াকৈ কিমান টকালৈকে চিকিৎসা সেৱা আগবঢ়ায়? এই বিনামূলীয়াকৈ আগবঢ়োৱা চিকিৎসা সেৱা চৰকাৰী আৰু ব্যক্তিগত চিকিৎসা খণ্ড উভয়তে প্ৰযোজ্য নে? বিতংভাৱে জনাব। বৰপেটা জিলাৰ কোন কোন হস্পিতালত এই সেৱা আগবঢ়োৱা হৈছে?

(গ) মানুহৰ দেহত Kidney Stone আৰু Gall bladder Stone সচৰাচৰ হোৱা দেখা যায়। এই বেমাৰ দুটা এই Ayushman Card জৰিয়তে চিকিৎসাৰ সেৱাৰ ক্ষেত্ৰত প্ৰযোজ্য নে?

(ঘ) যদি নহয়, তেন্তে এই বেমাৰ দুটা আয়ুষ্মান ভাৰত যোজনাৰ অধীনত সোমোৱাৰ বাবে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি? বিতংকৈ জনাব।

*বিষয় ঃ* **পিক আৱাৰ, স্মাৰ্ট মিটাৰ আৰু নিৰ্মীয়মান বিদ্যুৎ প্ৰকল্প।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৫৭১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত 'পিক আৱাৰ', 'অফ পিক আৱাৰ'ত দৈনিক বিদ্যুতৰ চাহিদা কিমান? ২০১৬ চনৰ পৰা ২০২৪ চনলৈ তথ্য দাখিল কৰিব।

(খ) অসমৰ নিজা বিদ্যুৎ উৎপাদন কিমান? কোনটো প্ৰকল্পত গড় হিচাপত দৈনিক কিমান বিদ্যুৎ উৎপাদন হয়।

(গ) অসমত নিৰ্মীয়মান বিদ্যুৎ প্ৰকল্পবোৰ কি অৱস্থাত আছে, কেতিয়া সম্পূৰ্ণ হ'ব, কোনটো প্ৰকল্পত কিমান বিদ্যুৎ উৎপাদন হ'ব? উৎপাদন বঢ়োৱাৰ বাবে ২০১৬ চনৰ পৰা বিশেষকৈ সৌৰ শক্তিৰ বাবে কি পদক্ষেপ লোৱা হৈছে?

(ঘ) ২০১৬ চনৰ পৰা ২০২৪ চনলৈ প্ৰতি ইউনিট বিদ্যুতৰ মাচুলৰ তথ্য বৰ্ষ অনুযায়ী জনাব। বিদ্যুৎ মাচুল বৃদ্ধিৰ বাবে বিদ্যুৎ নিয়ামক আয়োগৰ ওচৰত দাখিল কৰা প্ৰস্তাৱৰ প্ৰতিলিপি দাখিল কৰিব।

(ঙ) অসমত স্মাৰ্ট মিটাৰ সংস্থাপনৰ গাইডলাইন কি? ঠিকা কোনে লাভ কৰিছে? কোন জিলাত কিমান (ঘৰুৱা, উদ্যোগ, চৰকাৰী কাৰ্য্যালয়ত আদিত) সংস্থাপন কৰা হ'ল জনাব।

(চ) কোনটো চৰকাৰী বিভাগে কিমান টকাৰ বিল আদায় দিবলৈ বাকী আছে জনাব। কোনটো চৰকাৰী কাৰ্য্যালয়ৰ বিল্ডিঙৰ চাদত সৌৰ শক্তি উৎপাদনৰ ব্যৱস্থা কৰা হৈছে, উৎপাদন কিমান আৰু এনে ব্যৱস্থাৰ ফলত কিমান টকা ৰাহি হৈছে জনাব।

(ছ) ছয়গাঁও বিধানসভা সমষ্টিত চৰকাৰে সৌৰ শক্তি উৎপাদনৰ প্ৰকল্প হাতত লৈছে নেকি?

(জ) ছয়গাঁও বিধানসভা সমষ্টিত চৰকাৰে বৈদ্যুতিক উৎপাদনৰ কি কি প্ৰকল্প হাতত লৈছে? ক'ত কিমান ধন আবণ্টন দিয়া হৈছে? সবিশেষ তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **সোনতলী আৰক্ষী চকী থানালৈ উন্নীতকৰণ।**

শ্ৰীমতী নন্দিতা দাস ঃ

৫৭২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত চলি থকা বিভিন্ন আৰক্ষী চকীবোৰক আৰক্ষী থানালৈ উন্নীতকৰণ কৰিবলৈ চৰকাৰৰ কিবা ঘোষিত নিৰ্দেশনা আছে নেকি?

(খ) যদি আছে, সেই নিৰ্দেশনাৰ আওঁতাত এতিয়ালৈকে বিগত দুটা বৰ্ষত কিমান আৰক্ষী চকী পুলিচ থানালৈ উন্নীতকৰণ কৰা হ'ল? জিলা ভিত্তিক তথ্য জনাব।

(গ) ব্যৱসায়, বাণিজ্য, শিক্ষা, স্বাস্থ্য পঞ্জীকৃত গোচৰ মোকৰ্দমাৰ সংখ্যাৰ ফালৰ পৰা সোনতলী আৰক্ষী চকীখন অতি গুৰুত্বপূৰ্ণ বুলি গৃহ বিভাগ অৱগত নে?

(ঘ) যদি অৱগত, চৰকাৰে কৰা ঘোষণা অনুযায়ী সোনতলী আৰক্ষী চকীখন আৰক্ষী থানালৈ উন্নীতকৰণ কৰাৰ বাবে এই বছৰতে ব্যৱস্থা গ্ৰহণ কৰিবনে?

*বিষয় ঃ* **বিভাগ হস্তান্তৰ কৰা সন্দৰ্ভত**

Shri JOLEN DAIMARY :

৫৭৩। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নতুনকৈ গঠিত তামুলপুৰ জিলাত কি কি বিভাগ বৰ্তমানলৈকে সম্পূৰ্ণভাৱে হস্তান্তৰ কৰা হ'ল? বিভাগসমূহৰ তালিকা দাখিল কৰিব।

(খ) বিভাগসমূহ হস্তান্তৰ যদি কৰা নাই কি কাৰণত পলম হৈছে আৰু কেতিয়ালৈ সম্পূৰ্ণ কৰা হ'ব? সবিশেষ তথ্য বিতংকৈ জনাব।

*Sub.* : **Schemes of Skill Employment and Enterpreneurship.**

Shri RUPJYOTI KURMI :

574. Will the Minister of Skill Employment and Enterpreneurship Department be pleased to state :

(a) Is the Department aware that in Tea garden, presently Mahaprablu Jaganath Community Hall & Skill Development Centre Construction is going on ?

(b) If yes, will the Department take up such centre and launch schemes of Skill employment and entrepreneurship ?

(c) If yes, by when and which are the course the Department will take up on this centre ?

(d) If yes, Please furnish details data of the courses.

*বিষয় ঃ* **শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়**

শ্ৰীবিনোদ হাজৰিকা ঃ

৫৭৫। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান আমাৰ চাবুৱা-লাহোৱাল সমষ্টিত এখন ক্ৰীড়া বিশ্ববিদ্যালয় শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় নামেৰে নিৰ্মাণ কাৰ্য্য চলি আছে। এই কাম সমূহ কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰিছে? আৰু বৰ্তমান কামৰ খতিয়ান তথ্য সহকাৰে জনাব।

(খ) বৰ্তমানলৈকে কিমান পুঁজি আবণ্টন দিলে জনাব।

(গ) বৰ্তমানলৈকে চৰকাৰে কিমান কৰ্মচাৰী নিয়োগ কৰিলে জনাব।

*বিষয় ঃ* **PMGSY আঁচনি**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৫৭৬। মাননীয় লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও আৰু মৰিগাঁও জিলাত PMGSYৰ অধীনত নিৰ্মাণ কৰা পথসমূহৰ তালিকা দিব।

(খ) পথসমূহৰ দৈৰ্ঘ্য, আবণ্টিত টকাৰ পৰিমাণ আৰু নিৰ্মাণ সম্পূৰ্ণ হোৱা সময়সীমা উল্লেখ কৰিব।

(গ) পাঁচ বছৰৰ Maintanence Period অতিক্ৰম কৰা পথ সমূহৰ তালিকা দিব আৰু পুনৰ নিৰ্মাণ কৰা পথৰ তালিকা দিব।

(ঘ) ঠিকাদাৰসকলৰ নাম সহ পথ সমূহৰ বৰ্তমানৰ অৱস্থা জনাব।

---

Assam Government press 51/25-LAQ-550-24-03-2025